# অসম চৰকাৰ

# চাহ ও প্ৰাক্তন চাহ জনজাতি কল্যাণ সঞ্চালকালয়

# ৰূপনগৰ, গুৱাহাটী-৩২

নং . ডিটিডিডাব্লিউ/ডেভ/১৬/২০১৮/৭ তাৰিখ : ০৩-১০-২০১৮

## জাননী

সঞ্চালক, চাহ ও প্ৰাক্তন চাহ জনজাতি কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা অসমত বসবাস কৰা চাহ জনজাতিৰ বিধবা আৰু অকলশৰীয়া মহিলাৰ বাবে ২০১৮-১৯ বৰ্ষত এককালিন বিত্তীয় সাহায্যৰ বাবে আবেদন আহ্বান কৰা হৈছে।

**আঁচনিৰ নাম** : "বিধবা আৰু একক মহিলালৈ আৰ্থিক সাহায্য"।

**আবেদনকাৰীৰ বাবে যোগ্যতা তলত উল্লেখ কৰা হল-**

১) বিধবা মহিলাৰ বাবে :- আবেদনকাৰী ০১-০১-২০১৮ বৰ্ষত ১৮ বছৰৰ পৰা ৪৫ বছৰৰ ভিতৰত হব লাগিব।

2) একক মহিলাৰ বাবে :- **অবিবাহিতা/একক মহিলাৰ বাবে** - আবেদনকাৰী ০১-০১-২০১৮ বৰ্ষত ৩৫ বছৰৰ পৰা ৫৯ বছৰৰ ভিতৰত হব লাগিব।

আবেদনকাৰীয়ে নিজৰ এখন বৰ্তমানৰ পাছপোৰ্ট আকাৰৰ ফটো, বাসিন্দাৰ প্ৰমাণ পত্ৰ, বছৰেকীয়া আয়, বয়সৰ প্ৰমাণ পত্ৰ, বিধবাৰ বাবে স্বামীৰ মৃত্যুৰ প্ৰমাণ পত্ৰ, অবিবাহিতা মহিলাৰ বাবে চক্ৰ বিষয়া/গাঁও পঞ্চায়তৰ সচিব/চৰকাৰী গাঁওবুঢ়া অন্যথা স্হানীয় চাহ বাগিচাৰ পৰিচালকৰ প্ৰমাণ পত্ৰ সহ নিৰ্দিষ্ট আবেদন পত্ৰ আৰু নথি সহ অহা ইং ২২-১০-২০১৮ তাৰিখৰ ভিতৰত মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ত জমা কৰিব লাগিব।

যিসকল মহিলাই বৰ্তমান চৰকাৰী অথবা চৰকাৰী নিকায়-নিগমত কৰ্মৰত অথবা যোৱা ৩ (তিনি) বছৰত এনেধৰণৰ চৰকাৰী সাহায্য পাইছে তেখেত সকলে এই আঁচনিত আবেদন কৰিব নোৱাৰিব।

মহকুমা কল্যাণ বিষয়া সকলে এই কাৰ্য্যালয়ৰ পৰা প্ৰেৰণ কৰা লক্ষ্য (Target) অনুসৰি অনুমোদিত আবেদনকাৰীৰ তালিকা নিম্ন স্বাক্ষৰকাৰী কাৰ্য্যালয়ত অহা ইং ২৫-১০-২০১৮ তাৰিখৰ ভিতৰত জমা দিব লাগিব।

এই সঞ্চালকালয়ত কোনো আবেদন পত্ৰ গ্ৰহন কৰা নহয়। আবেদন পত্ৰ সঞ্চালকালয়ৰ website **www.ttwd.assam.gov.in** ৰ পৰা ডাউনলোড কৰিব পাৰিব।

স্বা/-
সঞ্চালক
চাহ ও প্ৰাক্তন চাহ জনজাতি কল্যাণ সঞ্চালকালয়
ৰূপনগৰ, গুৱাহাটী – ৩২